বিহঙ্গমৰ পৰা

# চৰাইৰ ভাব বিনিময়

পবিত্র কৈৱৰ্ত্ত
১ম বাৰ্ষিক উঃ মাঃ (বিজ্ঞান)



আমি সকলোৱে জানো বা দেখি আহিছোঁ যে, ভিন্-ভিন্ প্রাণীৰ ক্ষেত্ৰত ভাৱ বিনিময়ৰ পদ্ধতি ভিন-ভিন হয়। চৰাইৰ ক্ষেত্ৰত বাৰু এই পদ্ধতি কেনেকুৱা? দেখা যায় চৰাইবোৰে নিজৰ ভাৱ প্ৰকাশ কৰিবলৈ বিভিন্ন পদ্ধতি অৱলম্বন কৰে। যেনে- গীত মাতৰ যোগেদি, দেহৰ অংগী-ভংগীৰ যোগেদি নাইবা বিভিন্ন নাচৰ যোগেদি। চৰাইৰ জাতি-প্ৰজাতি ভেদে এই পদ্ধতি ভিন্-ভিন্ হোৱা দেখা যায়। চৰাইয়ে মূৰটো ওপৰলৈ কৰি বা মূৰটো হলাই, ডেউকা মেলি বা জোকাৰি, দেহৰ উজ্জ্বল ৰং প্ৰদৰ্শন আদি কৰি বিভিন্ন দেহ ভংগীমাৰে ভাৱ বিনিময় কৰিব পাৰে। বিজ্ঞানী সকলে চৰাইৰ ধ্বনিক গীত আৰু মাত এই দুই ভাগত ভাগ কৰিছে। চৰাইৰ গীত হ'ল জটিল আৰু দীৰ্ঘস্থায়ী, প্ৰধানকৈ মতা চৰাইটোকহে গীত গোৱা দেখা যায়। আনহাতে চৰাইৰ মাত সৰল আৰু ক্ষণস্থায়ী। ইয়াক মতা মাইকী উভয়ে ব্যৱহাৰ কৰে। পৰীক্ষা নিৰীক্ষাৰ দ্বাৰা জনা গৈছে যে চৰাইবোৰে দুটা কাৰণত গীত গায়, প্ৰজনন ঋতুৰ সময়ত নিজৰ পৰিচয়, অৱস্থান, আদি জনাবৰ বাবে আৰু গীতৰ যোগেদি সীমা নিৰ্দ্ধাৰণ কৰিবলৈ। গতিকে দেখা যায় চৰাইৰ ভিন্-ভিন্ প্ৰকাশ ভঙ্গীয়ে ভিন্-ভিন্ সংবাদ প্ৰেৰণ কৰে। □□□

# সামুদ্ৰিক প্ৰাণী অক্ট'পাছ

জ্যোতিৰ্ময় পাটগিৰী
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

অক্ট'পাছ হ'ল এবিধ কোমলদেহী সাগৰীয় প্ৰাণী। ইহঁতৰ গাটো ঘূৰণীয়া, মূৰটো ডাঙৰ আৰু মূৰৰ অংশত আঠডাল বাহু থাকে। আঠডাল বাহু থকা বাবে ইহঁতক অষ্টপদী প্ৰাণী বোলে। এই বাহু বোৰৰ সহায়ত ইহঁতে চলাফুৰা আৰু চিকাৰ কৰে। প্ৰতিডাল বাহুতে দুশাৰীকৈ শোষক থাকে। দিনৰ পোহৰত ইহঁতে সাগৰৰ তলিত শিলৰ ফাঁকত লুকাই থাকে আৰু ৰাতি হোৱাৰ লগে লগে খাদ্যৰ সন্ধানত বাহিৰলৈ আহে। সাধাৰণতে মাছ, কেকোঁৰা, শামুক আদি ইহঁতৰ প্ৰধান খাদ্য যদিও কেতিয়াবা কেতিয়াবা সাগৰৰ আন কিছুমান জীৱ-জন্তুকো আক্ৰমণ কৰা দেখা যায়। ইহঁতে শত্ৰুৰ মুখা মুখি হ'লে গাৰ পৰা চিয়াহীৰ দৰে এবিধ তৰল ৰস পানীত এৰি দিয়ে, যাৰ ফলত পানীখিনি ধোঁৱা বৰণীয়া হৈ পৰে। আৰু এই সুযোগতে ইহঁতে শত্ৰুৰ পৰা হাত সাৰে। অক্ট'পাছে পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত মিলি যোৱাকৈ গাৰ বৰণ সলাব পাৰে। ইহঁতে কণী পাৰি পোৱালী জগায়। এবাৰত প্ৰায় ৫০,০০০ পৰা ১,৮০,০০০ টা পৰ্য্যন্ত কণী পাৰিব পাৰে। ইয়াক চীন আৰু ইটালীৰ মানুহে খাদ্য হিচাপে ব্যৱহাৰ কৰে।



□□□

বোধিদ্ৰুমৰ পৰা

# আৱিষ্কাৰৰ আঁৰত এন্টিবায়'টিক

মানৱ কলিতা
উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান)

বৰ্ত্তমান আধুনিক চিকিৎসা বিজ্ঞানত মকৰধ্বজ স্বৰূপ এন্টিবায়'টিকৰ জন্মদাতা হ'ল আলেকজেণ্ডাৰ ফ্লেমিং। ফ্লেমিঙৰ জন্ম হৈছিল ১৮৮১চনৰ ৬ আগষ্টত দাৰ্ড়েলৰ অন্তৰ্গত লকফিল্ড নামৰ ঠাইত এক সাধাৰণ খেতিয়কৰ পৰিয়ালত। ১৯২৮ চনত ফ্লেমিঙে আবিষ্কাৰ কৰা পেনিছিলিনেই হ'ল প্ৰথম এন্টিবায়'টিক। এন্টিবায়'টিক মানেই বীজাণু ধ্বংশকাৰী।

এদিনাখন ফ্লেমিঙে তেওঁৰ গৱেষণাগাৰত ষ্টেফাইল ককাচ নামৰ বেক্টেৰীয়াৰ ওপৰত গৱেষণা কৰি থাকোতে দেখা পালে যে এটা পাত্ৰত সেউজীয়া ৰঙৰ কিছুমান ভেঁকুৰ জন্মিছে। তেওঁ ভাবিলে যে বতাহে ভেকুৰ বিধৰ সঁচ উৰুৱাই আনিছে। কিন্তু পিছত দেখিলে যে ভেঁকুৰ বিধে ষ্টেফালে ককাচ বেক্টেৰিয়া ধ্বংস কৰিছে, আৰু এই সেউজীয়া ভেকুৰ বিধকে পিছত তেওঁ নাম দিলে "পেনিছিলিন"। বৰ্ত্তমান যুগত ইয়াক পৃথিৱীৰ চাৰিওঁফালে ঔষধ হিচাপে বহুলভাৱে ব্যৱহাৰ কৰি আহিছে। □□□

# সৰ্পগন্ধা

ডালিমী ৰাণা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

সৰ্পগন্ধা এবিধ সৰু চিৰ সেউজীয়া গুল্ম জাতীয় উদ্ভিদ যাৰ বৈজ্ঞানিক নাম ৰাউলফিয়া ছাৰ্পেনটিনা। ভাৰতীয় আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিত বহুত বছৰৰ আগৰে পৰা সৰ্পগন্ধা ব্যৱহাৰ কৰি আহিছে। ভাৰতত এইবিধ ঔষধি উদ্ভিদ বিশেষকৈ সৰ্পদংশন কৰা ৰোগীৰ ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। তাৰোপৰি মানসিক ৰোগ, নিদ্ৰা হীনতা, মৃগী ইত্যাদি ৰোগতো এইবিধ উদ্ভিদৰ ব্যৱহাৰৰ কথা পোৱা যায়। ৰাউলফিয়া নামটো ড° ৰাউলৰ নামত ৰখা হৈছে, যিয়ে প্ৰথমে এইবিধ উদ্ভিদৰ কথা উল্লেখ কৰিছিল। সাধাৰণতে তিনি-চাৰি বছৰ বয়সৰ উদ্ভিদৰ বাকলিযুক্ত মূল অংশহে ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াৰ মূলত প্ৰায় ৩০ বিধ উপক্ষাৰ থাকে। বিশেষকৈ মূলৰ কৰ্টেক্স অংশত উপক্ষাৰ বিলাক থাকে। উপক্ষাৰ বিলাকৰ ভিতৰত ৰেজাৰ পাইন হ'ল এবিধ গুৰুত্বপূৰ্ণ উপক্ষাৰ। ইয়াৰ বাহিৰেও ছাৰ্পেনটাইন, ছাৰ্পেনটিনিন, ৰাউলফিন ইত্যাদি উপক্ষাৰো সৰ্পগন্ধা উদ্ভিদৰ মূলত থাকে। □□□

# Common Herbs and Spices as Medicines

Mitali Boro
TDC 1st Year (Sc.)

Herbs and Spices have been used to treat various diseases and ailments for thousand of years. Although there are many different spices of plants, some of most common onec are listed below alongwith their uses-

1. Garlic (Allium Copa) : Strong weapon against cold, reduce cholesterol and high blood pressure.
2. Ginger (Zingiber Officinalis) : Effective against nausea.
3. Cloves (Syzygium aromaticum) : Act as wound antiseptics, used to treat indigestion and diarrhea.
4. Turmeric (Curcuma longa) : Used to treat dysentry and heart disease.
5. Cinnamon (Cinnamomum zeylanicum) : Used to control blood sugar for diabetes. □□□

বোধিদ্ৰুম ঃ প্ৰাচীৰ পত্ৰিকা, উদ্ভিদ বিজ্ঞান বিভাগ।

# কৃত্ৰিম বুদ্ধিমত্তা

**ৰূৰ্ণবিকাশ কলিতা, স্নাতক ১ম বৰ্ষ (বিজ্ঞান)**

দৈনন্দিন জীৱনৰ প্ৰতি মুহূৰ্ত্তত আমি মানৱীয় বুদ্ধিমত্তাৰ প্ৰয়োগেৰে কোনো বস্তু বা ঘটনা সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰোঁ। আধুনিক প্ৰযুক্তিবিদ্যাৰ জৰিয়তে মানুহে আজি কোনো বস্তু বা ঘটনা সম্পৰ্কে সিদ্ধান্তবোৰ যন্ত্ৰৰ মাধ্যমেৰেও গ্ৰহণ কৰিবলৈ লৈছে। এই ক্ষেত্ৰত যি বুদ্ধিমত্তাৰ প্ৰয়োগ কৰা হয় তাক কৃত্ৰিম বুদ্ধিমত্তা বোলে। ই এনে এটা প্ৰক্ৰিয়া যিয়ে মানুহৰ দৰে সঠিকভাৱে চিন্তা কৰি কোনো এটা বস্তু বা ঘটনা সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰে। এই প্ৰক্ৰিয়াত সংবেদনাশীল যন্ত্ৰ, কম্পিউটাৰ আৰু দক্ষ নেটৱৰ্কৰ সহায় লোৱা হয়। ইয়াৰে কম্পিউটাৰৰ স্মৃতিভঁৰালত কোনো বস্তু বা ঘটনা সম্পৰ্কে বিশ্লেষণাত্মক তথ্য সঞ্চিত থাকে। এতিয়া নেটৱৰ্কৰ যোগেদি সংবেদনশীল যন্ত্ৰই নতুন তথ্য কম্পিউটাৰলৈ প্ৰেৰণ কৰে। কম্পিউটাৰৰ ছফ্টৱেৰে নতুন তথ্যক সঞ্চিত তথ্যসমূহৰ ওপৰত ভিত্তি কৰি বিশ্লেষণ কৰে আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

সংবেদনশীল যন্ত্ৰ (Sensor) হ'ল এনে এবিধ আহিলা যাৰ সহায়ত প্ৰাকৃতিক সংকেত, যেনে- তাপ, গোন্ধ, ৰং, সোৱাদ, শব্দ, আদিক বৈদ্যুতিক সংকেতলৈ ৰূপান্তৰিত কৰিব পাৰি। বিভিন্ন ধৰণৰ সংবেদনশীল যন্ত্ৰৰ ভিতৰত সাধাৰণতে অতি ফলপ্ৰসু হিচাপে ব্যৱহৃত হোৱা ই-চকু, ই-নাক আৰু ই-জিভা উল্লেখযোগ্য।

**ই- চকু ঃ** কৃত্ৰিম বুদ্ধিমত্তাৰ আটাইতকৈ গুৰুত্ব পোৱা দিশটোৱেই হ'ল কৃত্ৰিম দৰ্শন। কৃত্ৰিম দৰ্শনত ই-চকুৰ জৰিয়তে বস্তুৰ ছবি সংগ্ৰহ কৰি কম্পিউটাৰৰ জৰিয়তে তাক বাখ্যা কৰা হ'য়। ই-চকু হ'ল Charged Coupled Device CCD। ইয়াক ডিজিটেল কেমেৰাও বুলিব পাৰি। কেমেৰাটোৰ সন্মুখভাগত বহুতো চিলিকণৰ চাৰিচুকীয়া আকৃতিৰ এক বিন্যাস সজোৱা থাকে। ছবি সংগ্ৰহ কৰিব লগা বস্তুৰ পোহৰৰ প্ৰাবল্য আৰু ৰঙৰ তাৰতম্য অনুসৰি প্ৰত্যেক টুকুৰা চিলিকণত উৎপন্ন হোৱা আধানৰ তাৰতম্য ঘটে। এই তাৰতম্যক সমগ্ৰ বিন্যাসটোৰ পৰা একেলগে কম্পিউটাৰে একোখন ছবি হিচাপে সংগ্ৰহ কৰে আৰু বিশ্লেষণ কৰে।

**ই -নাক ঃ** ই- গোন্ধ উপলদ্ধ কৰণৰ ইলেকট্ৰনীয় পদ্ধতি। পৰিবাহী বহুলাংশী আৰু ধাতৱ অক্সাইড ইষৎ পৰিবাহীৰ ই-নাকত কোনো বস্তুৰ গোন্ধবাহী কণাৰ সংস্পৰ্ষত বৈদ্যুতিক ৰোধৰ তাৰতম্য ঘটে। ইলেকট্ৰিক ই-নাকত এখন অতি সুক্ষ্ম তুলাচনী থাকে। গোন্ধবাহী কণাৰ সংস্পৰ্শত এই তুলাচনীৰ ভৰৰ পৰিবৰ্ত্তন ঘটে। ফলত ইয়াত এক কম্পনৰ সৃষ্টি হয়। উক্ত দুয়োক্ষেত্ৰত হোৱা ৰোধৰ তাৰতম্য আৰু কম্পনৰ তাৰতম্যক বৈদ্যুতিক বিভৱলৈ পৰিবৰ্ত্তন কৰি কম্পিউটাৰলৈ প্ৰেৰণ কৰে আৰু কম্পিউটাৰ চফ্‌টৱেৰে এই বিভৱ সংকেতৰ ওপৰত ভিত্তি কৰি সঞ্চিত তথ্য (গোন্ধ) ৰ পৰা নিৰ্দিষ্ট গোন্ধ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰে।

**ই- জিভা ঃ** ই-জিভা হ'ল চিলিকণ পাতৰ ওপৰত সংস্থাপন কৰি তৈয়াৰ কৰা আহিলা। প্ৰায় এশ প্ৰকাৰৰ বেলেগ বেলেগ ধৰণৰ বহুলাংশী ক্ষুদ্ৰ-ক্ষুদ্ৰ কণা চিলিকণ পাতখনৰ ওপৰত সজোৱা হয়। কোনো নিৰ্দ্দিষ্ট সোৱাদৰ জুলীয়া পদাৰ্থ কোনো নিৰ্দিষ্ট বহুলাংশী কণাৰ সংস্পৰ্শলৈ আহিলে সেই কণাৰ ৰং সলনি হয়। যেনে মিঠা, টেঙা, তিতা আৰু নিমখীয়া সোৱাদৰ বাবে নিৰ্দ্দিষ্ট বহুলাংশী কণাৰ ৰং ক্ৰমে হালধীয়া, ৰঙা, নীলা আৰু সেউজীয়া হয়। ৰঙৰ এই তাৰতম্য (CCD) কেমেৰাৰে লোৱা হয় আৰু তাক কম্পিউটাৰত বিশ্লেষণ কৰা হয়।

**কৃত্ৰিম বুদ্ধিমতাৰ ব্যৱহাৰ ঃ** কোঠা এটাৰ দুৱাৰ এখনৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমতা প্ৰয়োগ কৰিব পাৰি। ব্যক্তি এজন দুৱাৰখনৰ ফালে আগুৱাই আহিলে দুৱাৰখনৰ গাত সঞ্চিত ই-চকুই ব্যক্তিজনৰ ছবি সংগ্ৰহ কৰিব আৰু কম্পিউটাৰলৈ প্ৰেৰণ কৰিব। ব্যক্তিজনৰ ওপৰত সঞ্চিত তথ্যৰ ওপৰত নিৰ্ভৰ কৰি কম্পিউটাৰে দুৱাৰখন নিজে-নিজে খোল খাব বা নাখাবলৈ সংকেট প্ৰেৰণ কৰিব। তাৰোপৰি বিভিন্ন প্ৰসাধন, ঔষধ, ৰং, চকলেট, শীতল পানীয়ৰ উদ্যোগত ই-জিভা আৰু ই-নাকে উৎপাদিত সামগ্ৰীৰ গুণগত মান নিৰূপন কৰে। শেষত কৃত্ৰিম বুদ্ধিমত্তাৰ আন এটা যুগান্তকাৰী পদক্ষেপ হ'ল ৰবটৰ আৱিষ্কাৰ। ☐☐☐

**PHYSICA-** প্ৰাচীৰ পত্ৰিকা, পদাৰ্থ বিজ্ঞান বিভাগ।

# বিশ্বৰ তিনিটা শ্ৰেষ্ঠ সন্মানীয় বঁটা

ছোনিয়া বেগম ,
স্নাতক ২য় বৰ্ষ (কলা)

**নোবেল বঁটা ঃ** প্ৰখ্যাত তথা মহান ছুইডিছ বিজ্ঞানী আলফ্ৰেড বানাহাৰ্ড নোবেলৰ পবিত্ৰ স্মৃতিত ১৯০১ চনৰ পৰা ছুইডেনৰ ছুইডিছ একাডেমী আৰু নৰৱেৰ সংসদে প্ৰতিবছৰে এই বঁটা প্ৰদান কৰি আহিছে। উল্লেখযোগ্য যে মৃত্যুৰ আগে আগে এই মহান বিজ্ঞানীজনে তেওঁৰ সঞ্চিত সমূহ অৰ্থ (৯২ লাখ ডলাৰ) এখন উইলত বিশ্বক দান কৰি থৈ যায়। এই বঁটা ক্ৰমে ৰসায়ণ বিজ্ঞান, চিকিৎসা বিজ্ঞান, পদাৰ্থ বিজ্ঞান, সাহিত্য আৰু বিশ্বশান্তিৰ বাবে বিশেষ সেৱা আগবঢ়োৱা ব্যক্তিলৈ প্ৰতিবছৰৰ ১০ ডিচেম্বৰৰ তেওঁৰ মৃত্যুৰ দিনটোত আগবঢ়োৱা হয়। এই বঁটাৰ পৰিমাণ ১.২ নিযুত ডলাৰ আৰু এটি সোণৰ পদক আৰু এখন প্ৰশস্তি পত্ৰ।

**অস্কাৰ বঁটা ঃ** অস্কাৰ চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ আন্তঃৰাষ্ট্ৰীয় বঁটা। ১৯২৯ চনৰ ১৬ মে তাৰিখে আমেৰিকাৰ 'একাডেমী অৱ্ মোশ্যন পিকচাৰ্ছ আৰ্ট এণ্ড চায়েন্স' এ বিশ্বৰ চলচ্চিত্ৰ জগতত বৈপ্লৱিক পৰিবৰ্ত্তন সাধন কৰিবলৈ এই বঁটা ঘোষণা কৰিছিল। অস্কাৰ বঁটাটো হৈছে ৩.৬ কিলোগ্ৰাম ওজনৰ আৰু ৩৪.৩ চেন্টিমিটাৰ উচ্চতাৰ এটা অৰ্ধনগ্ন পুৰুষৰ মূৰ্ত্তি। এই পুৰুষ জন হ'ল এজন নাইট আৰু হাতত আছে ক্ৰুছেডৰ ছোৰৰ্ড। ইয়াত ২৪ কেৰেট সোণৰ প্ৰলেপ আছে।

**বুকাৰ বঁটা ঃ** বিশ্ব সাহিত্য জগতত এক অতি সন্মানীয় বঁটা হৈছে বুকাৰ বঁটা। এই বিশ্বশ্ৰেষ্ঠ বঁটাটো প্ৰদান কৰে গ্ৰেট ব্ৰিটেইনৰ 'বুকাৰ পাব্লিক লিমিটেড'এ। দেশত প্ৰকাশিত শ্ৰেষ্ঠ উপন্যাস সমূহৰ মাজৰ শ্ৰেষ্ঠ উপন্যাসিকজনক বুকাৰ প্ৰাব্লিক লিমিটেড'এ এই বুকাৰ বঁটা প্ৰদান কৰে। বুকাৰ বিজয়ীজনলৈ আগবঢ়োৱা হয় মুঠ ৫০,০০০ পাউণ্ড। বুকাৰ পাব্লিক লিমিটেডে বিপুল পৰিমাণৰ ধনৰাশিৰ এই বঁটাটো ১৯৬৯ চনৰ পৰা প্ৰতিবছৰে প্ৰদান কৰি আহিছে। □□□

# যোগাসনৰ প্ৰয়োজনীয়তা

ভৰসা পাঠক,
স্নাতক ১ম বৰ্ষ (কলা)

স্বাস্থ্যই পৰম ধন। গতিকে শৰীৰক সুস্থ, সবল, সতেজ আৰু কৰ্মক্ষম কৰি ৰাখিব লাগে।

মানুহৰ শৰীৰত যাতে ৰোগে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে শাৰীৰিক পৰিশ্ৰমৰ প্ৰয়োজন। কিন্তু বৰ্ত্তমান যুগত মানুহৰ শাৰীৰিক পৰিশ্ৰম নহয়। সেয়ে শৰীৰক সবল কৰি ৰাখিবৰ বাবে নিয়মিত ভাৱে যোগাসন কৰাটো প্ৰয়োজন।

যোগাসন সম্পৰ্কে কেইটামান জানিবলগীয়া কথা হ'ল-

(ক) যোগাসন কৰাৰ আগতে পাতল আহাৰ গ্ৰহণ কৰিব লাগে।

(খ) যোগাসন কৰাৰ আধা ঘন্টামান পিছত গা ধুব লাগে।

(গ) আসন কৰাৰ সময়ত ঢিলা কাপোৰ পিন্ধিব লাগে।

(ঘ) যোগাসন কৰা ঠাই সমতল হ'ব লাগে।

(ঙ) পাঁচ বছৰ মান বয়সৰ পৰা গোটেই জীৱন যোগাসন কৰিব পাৰি। কিন্তু পঞ্চাশ বছৰৰ পিছত টান আৰু গধুৰ ব্যায়াম কৰিব নালাগে।

(চ) ৰাতিপুৱা আৰু আবেলিয়েই ব্যায়াম কৰাৰ বাবে উপযুক্ত সময়।

(ছ) নিশা দহ বজাৰ ভিতৰত শোৱা আৰু ৰাতিপুৱা পাঁচ বজাৰ আগতে উঠিব লাগে।

যোগাসনৰ জৰিয়তে মানুহে মনক প্ৰফুল্লিত কৰি ৰাখিব পাৰে। ই মনৰ স্থিৰতা আনে, মনক শান্ত কৰি ৰাখে আৰু মনলৈ ইতিবাচক দৃষ্টিভংগী আনে। সুস্থ শৰীৰতহে সুস্থ মনৰ বিকাশ হয়। গতিকে সকলোৱে যোগাসন কৰি সুন্দৰ স্বাস্থ্য আৰু সুস্থ মনৰ অধিকাৰীহোৱা উচিত। □□□

**ECHO : প্ৰাচীৰ পত্ৰিকা, শিক্ষা বিভাগ**

# ২২ জুলাইৰ সূৰ্য্য গ্ৰহণ

চন্দনা কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

২০০৯ চনৰ ২২ জুলাই আমাৰ বাবে মনত ৰাখিবলগীয়া দিন। কাৰণ সেইদিনা পূৰ্ণগ্ৰাস সূৰ্য্য গ্ৰহণ হৈছিল।

আগতে মানুহে সূৰ্য্যগ্ৰহণ চাবলৈ ভয় কৰিছিল। গ্ৰহণৰ সময়ত ভাত ৰন্ধা-বঢ়া নকৰিছিল। একো বস্তু নাখায়। আনকি গৰ্ভৱতী মহিলাক বাহিৰলৈ ওলাবলৈ নিদিয়ে। এইবিলাক অন্ধবিশ্বাস। কিন্তু এইবাৰ বহু মানুহে সূৰ্য্যগ্ৰহণ উপভোগ কৰে। অন্ধবিশ্বাসৰ বিৰুদ্ধে অনুষ্ঠিত কৰা নানান সজাগতা সভা সমিতি তথা বিজ্ঞান মানসিকতাৰে এয়া ফল।

সূৰ্য্যগ্ৰহণ এক মহাজাগতিক পৰিঘটনা। অমাৱস্যা, কাঁচিজোন, অৰ্দ্ধজোন এনেকৈ কেবাটাও স্তৰ পাৰ হৈ পূৰ্ণিমা হয়। পূৰ্ণিমাৰ দিনা চন্দ্ৰ-সূৰ্য্য পৃথিৱী একে শাৰীত পৰে। ফলত পৃথিৱীৰ ছাঁটোৱে চন্দ্ৰটো ঢাকি ধৰে। ইয়াকে চন্দ্ৰগ্ৰহণ বোলে। আকৌ সূৰ্য্যগ্ৰহণত চন্দ্ৰৰ ছাঁ পৃথিৱীৰ ওপৰত পৰে। ফলত সূৰ্য্যটো নেদেখা হৈ যায়। ইয়াকে সূৰ্য্যগ্ৰহণ বোলে।

**সূৰ্য্যগ্ৰহণ তিনি প্ৰকাৰৰ-**

(ক) পূৰ্ণগ্ৰাস (খ) বলয় গ্ৰাস আৰু (গ) খণ্ড গ্ৰাস

প্ৰতিটো পূৰ্ণিমাত চন্দ্ৰগ্ৰহণ আৰু অমাবস্যাত সূৰ্য্যগ্ৰহণ নহয়। ইয়াৰ কাৰণ পৃথিৱী আৰু চন্দ্ৰৰ কক্ষতল মাজত পাঁচ ডিগ্ৰী (৫°) কোণ কৰি আছে। যি পূৰ্ণিমাত বা অমাৱস্যাত চন্দ্ৰ, সূৰ্য্য আৰু পৃথিৱী একে সৰলৰেখাত আহে সেই দিনাহে চন্দ্ৰগ্ৰহণ বা সূৰ্য্যগ্ৰহণ হয়।

**এইবাৰৰ সূৰ্য্যগ্ৰহণৰ বৈশিষ্ট্য-**

(ক) ২০০৯ চনৰ ২২ জুলাইৰ সূৰ্য্যগ্ৰহণ এই শতিকাৰ আটাইতকৈ দীঘলীয়া পূৰ্ণগ্ৰাস।

(খ) জাপানৰ বনিন দ্বীপৰ কাষৰ পৰা বেছি সময়লৈ সৰ্ব্বোচ্চ ৬ মিনিট ৩৯ ছেকেণ্ড সময় গ্ৰহণ দেখা যায়।

(গ) অসমত পুৱা ৫-৩০ বজাৰ পৰা ৭-৩০ বজাৰ ভিতৰত সূৰ্য্যগ্ৰহণ চলে।

(ঘ) পুৱা ৬-৩০ বজাত (±২ মিনিট) পূৰ্ণ গ্ৰাস হয়।

(ঙ) পূৰ্ণ গ্ৰাসৰ সময়ত আকাশত বুধ, শুক্ৰ, মঙ্গল, বৃহস্পতি গ্ৰহ চাৰিটা দেখা যায়। □□□

# প্ৰাথমিক চিকিৎসা

নিভামণি দাস
উঃ মাঃ ১ম বৰ্ষ (কলা)

অগ্নিকাণ্ড, ধুমুহা, শিল-বৰষুণ, বানপানী, প্ৰবল বৰষুণ, ভুমিকম্প, আদি নানান দুৰ্যোগে মানুহক নানান আহুকালত পেলায়। কেতিয়াবা আকৌ ফুৰিবলৈ যাওঁতেও মটৰ বা স্কুটাৰ দুৰ্ঘটনাত পতিত হয়। এনেবোৰ দুৰ্যোগৰ সময়ত বহুলোকৰ হাত-ভৰি ভঙা দেখা যায়। আনবহুতৰ আকৌ দৌৰা-দৌৰি কৰাৰ ফলত অথবা ভয়তে উশাহ-নিশাহ লোৱাত কষ্ট হয়। কোনো ক্ষেত্ৰত দুই এজন লোক সংজ্ঞাহীন হ'বও পাৰে। এনে ক্ষেত্ৰত প্ৰাথমিক চিকিৎসাৰ দৰকাৰ হয়। কোনো দুৰ্ঘটনা বা হঠাতে অসুস্থ হোৱা ব্যক্তিক চিকিৎসালয়লৈ নিয়াৰ আগতে দিয়া জৰুৰী চিকিৎসাকে প্ৰাথমিক চিকিৎসা বোলে।

**প্ৰাথমিক চিকিৎসাৰ লক্ষ্য-** (ক) জীৱন ৰক্ষা কৰা, (খ) দ্ৰুত নিৰাময় আৰু (গ) দুৰ্গতজনৰ অৱস্থা অধিক বেয়াকৈ যোৱাৰ পৰা ৰক্ষা কৰা।

মনত ৰাখিবলগীয়া যে হঠাতে অসুস্থ হোৱা ব্যক্তিৰ অৱস্থা বুজ লৈহে প্ৰাথমিক চিকিৎসাৰ কৌশলবোৰ উপযুক্ত ভাৱে প্ৰয়োগ কৰিব লাগে। তেতিয়াহে সুফল পোৱা যায়।

প্ৰাথমিক চিকিৎসাৰ সেৱা আগবঢ়াওতে তলত দিয়া কথা কেইটা মনত ৰখা উচিত- (ক) যিসকলৰ জীৱন বিপদাপন্ন তেওঁলোক উদ্ধাৰকাৰী সকলে জৰুৰীভাৱে চিকিৎসা সেৱা আগবঢ়াব লাগে। (খ) যিসকলৰ জীৱন বিপদাপন্ন নহয়, কিন্তু অৱস্থা শোচনীয়, তেওঁলোককো চিকিৎসা সেৱাৰ দৰকাৰ। (গ) সাধাৰণ লোকৰ কাৰণে এনে অৱস্থা জটিল হয়। (ঘ) যিসকলে মাথো প্ৰাথমিক চিকিৎসা বিচাৰে, বা নিজে নিজৰ যতন ল'ব পাৰে- তেওঁলোককো সুবিধা কৰি দিব লাগে।

**প্ৰাথমিক চিকিৎসাৰ বাবে প্ৰয়োজনীয় আহিলা সমূহ-**

কেঁচী, কটন (তুলা), ডেটল, কাপোৰ, আঠাযুক্ত টেপ, ক্ৰেইপ্ বেণ্ডেজ, এন্টাচিদ, চাবোন, অ' আৰ এছ পেকেট আদি।

□□□

MIRROR ঃ প্ৰাচীৰ পত্ৰিকা, অমৃতপ্ৰভা ৰেঞ্জাৰ টিম

অন্তৰঙ্গ আলাপ

# সপোন দেখা মানুহজনৰ সতে এখন্তেক



ভাস্কৰ্য্য শিল্পৰ এগৰাকী অন্যতম শিল্পী শ্ৰীযুত বীৰেণ সিংহৰ ঘৰ কামৰূপ জিলাৰ ছয়গাঁৰত। জন্ম ১৯৫১ চনৰ ১৩ এপ্ৰিল। তেনেই দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা এই গৰাকী ভাস্কৰ এগৰাকী চিত্ৰ শিল্পীও। ভাস্কৰ্য্য আৰু চিত্ৰ শিল্পৰ কোনোধৰণৰ আনুষ্ঠানিক শিক্ষা নথকা এইগৰাকী শিল্পীয়ে নিজৰ অক্লান্ত শ্ৰম আৰু সাধনাৰে প্ৰয়াত প্ৰনৱ বৰুৱা বটাঁ আৰু কলাগুৰু বিষ্ণু ৰাভা বটাঁ বুটলিবলৈ সক্ষম হৈছে। ভাস্কৰ্য্যৰ মাধ্যমেৰে পাহাৰ আৰু ভৈয়ামৰ মাজত সেতু বন্ধা এই গৰাকী শিল্পীৰ মনৰ খবৰ ল'বলৈ তেওঁৰ বাসভৱনত এখন্তেক মিলিত হৈছিলোঁ। তেওঁৰ মনৰ ভাৱ পাঠকলৈ আগবঢ়োৱা হ'ল-

??? জৱাহৰজ্যোতি ঃ আপোনাৰ শিল্পী জীৱনৰ আৰম্ভণিৰ বিষয়ে অলপ ক'ব নেকি?

◉ বীৰেণ সিংহ ঃ সেয়া মই দ্বিতীয়মান শ্ৰেণীত পঢ়ি থকা সময়ৰ কথা। এদিন স্কুলত এজন ছাৰে ছবি আঁকিবলৈ দিছিল। নোৱাৰিলোঁ। ছাৰে খুউব পিটিছিল। স্কুললৈ যোৱা বাদ দিলো। দেউতাৰ মৰমত বেচ কিছুদিন গোহালি ঘৰত বহি বহি নীৰবে ছবি অঁকাৰ সাধনা কৰিবলৈ ধৰিলোঁ। এই কামত মই ইমানেই নিমগ্ন হৈছিলোঁ যে মোক কোনোবাই মাতিলেও গম পোৱা নাছিলোঁ। এটা সময়ত ছবিবোৰ ভালকৈ নিৰীক্ষণ আৰু উপলব্ধি



কৰিব পৰা হলো। আনকি কেতিয়াবা মই প্ৰাকৃতিক দৃশ্য অঙ্কণ কৰিবলৈ গছ একোডাল হাতেৰে লিৰিকি বিদাৰি সাবটিও ধৰিছিলোঁ। ছবি অঁকাৰ সামগ্ৰী যোগাৰ কৰাৰ ক্ষেত্ৰত মোৰ কোনো সুবিধা নাছিল। ৰাজমিস্ত্ৰি দেউতাৰ উপাৰ্জনৰ পইচাৰে বহুদিন খাবলৈ নোপোৱাকৈ আছিলোঁ। ফলত পেটৰ ভাতৰ যোৰা মাৰিবলৈ ছয়গাঁৰৰ চাহ দোকানত মই বাচন ধোৱা কাম কৰিছিলোঁ। আৰু এটা কথা মই তবলাও বজাইছিলোঁ। নলিনী চৌধুৰীৰ দৰে অনাতাঁৰ শিল্পী সকলৰ লগত মই তবলা সংগত কৰিছিলোঁ। পঞ্চম শ্ৰেণীত থাকোতেই অসমৰ সেই সময়ৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ ছবি আঁকি তেওঁৰ পৰা ভূয়সী প্ৰসংশা আৰু আশীৰ্বাদ লাভ কৰিছিলোঁ।

??? জৱাহৰজ্যোতি ঃ আমি জনাত প্ৰথমে আপুনি ৰং-তুলিকাৰ চিত্ৰ শিল্পী আছিল। কি পৰিবেশত আপুনি ভাস্কৰ্য্য শিল্পী হ'ল?

◉ বীৰেণ সিংহ ঃ ই এক দীঘলীয়া কাহিনী। অষ্টম মান শ্ৰেণীত থাকোতে সময় সুবিধা বুজি বিজয়নগৰৰ মটৰ গেৰেজত ৰং-তুলিকাৰ কাম কৰো। সেইদিনা মই কাম কৰি ঘৰ সোমাওতে মাজনিশা হৈছিল। মাই আটা নিবলৈ কৈছিল যদিও দোকান বন্ধ থকা বাবে নিব নোৱাৰিলোঁ। ঘৰ সোমাই দেখো অকণমানি ভাইটি কমলে সপোনতে মাক ভাত খুজি আছে। এই কথাই মোক বৰকৈ আঘাট দিলে। পিচদিনাখনেই মই গুৱহাটীলৈ গুছি গলোঁ। তাত ৰং-তুলিকাৰ কাম কৰিছিলোঁ যদিও বাধ্যত পৰি ৰিক্সাও চলাইছিলো। সেই সময়ত অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত হৈ থকা বিভাগীয় পেভেলিয়ানবোৰত ৰঙৰ কাম কৰিব ধৰিলোঁ। এনে সময়তে শিল্পী বেণু মিশ্ৰক লগ পাওঁ। এদিন মই কাৰ্বি পাহাৰৰ ডিফু চহৰ পালোগৈ। সেয়া মোৰ অন্য এক জীৱনৰ আৰম্ভণি। কাৰ্বি যুৱ মহোৎসৱত মই বিভাগীয় পেভেলিয়ান সাজিলোঁ। কাৰ্বি আংলঙৰ বিশিষ্ট ব্যক্তি প্ৰাক্তন সাংসদ ডাঃ জয়ন্ত ৰংপি, প্ৰাক্তন মন্ত্ৰী চামচিং হাঞ্চে, বীৰেণসিং ইংতি আদিয়ে মোক বহু সহায় কৰিলে।

এই মহোৎসৱেই মোৰ জীৱনৰ টাৰ্নিং পইণ্ট। মহোৎসৱৰ সময়ত দেখা কাৰ্বি জনজাতিৰ সমৃদ্ধিশালী জীৱন, প্ৰকৃতি আৰু মানুহৰ যি সম্বন্ধ এইবোৰে মোক বাৰুকৈয়ে আকৰ্ষিত কৰিলে। মই কাৰ্বি গাঁৱে গাঁৱে ঘূৰিলো। কাৰ্বি জাতিৰ

জনজীৱনে মোৰ হৃদয় জয় কৰিলে। ৰং-তুলিকাতকৈয়ো অন্যধৰণে কাৰ্বি জাতিক প্ৰতিফলিত কৰিবলৈ মই ব্যাকুল হৈ পৰিলো। তেওঁলোকক কিবা এটা দিবলৈ মই সপোন দেখিব ধৰিলোঁ। হৃদয়ত অন্য এক সৃষ্টিশীল স্পন্দন অনুভৱ কৰিলোঁ। ভাস্কৰ্য্য শিল্পত মই নিমগ্ন হলো। লাহে লাহে মই এটাৰ পিছত আনটোত হাত বুলাব ধৰিলোঁ। এনেকৈয়ে এদিন মই ভাস্কৰ্য্যৰ মাধ্যমেৰে কাৰ্বি জনজাতিক ৰাষ্ট্ৰীয় পৰ্য্যায়ত তুলি ধৰিলোঁ। এইদৰেই মই কাৰ্বি পাহাৰত জীৱনৰ ২৬ বছৰ পাৰ কৰিলোঁ।

**??? জৱাহৰজ্যোতি ঃ কাৰ্বি পাহাৰক বাদ দি অসমৰ বিভিন্ন ঠাইত কি কি ভাস্কৰ্য্য নিৰ্মাণ কৰিছে?**

◎ বীৰেণ সিংহ ঃ অসমৰ বিভিন্ন ঠাইত যেনে- নগাওঁ, গুৱাহাটী, ডিব্ৰুগড়, নুমলীগড়, মৰিগাওঁ, হাফলং, কাজিৰঙা, তেজপুৰ, বকো, আইজাল আদি ভালেমান ঠাইত ভাস্কৰ্য্য নিৰ্মাণ কৰিছোঁ। সেইবোৰৰ ভিতৰত মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, সুভাষ বসু, তৰুণৰাম ফুকন, লাচিত বৰফুকন, জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, কনকলতা, মুকুন্দ কাকতি, চুদমাৰ্চন, মতিৰাম বড়ো, বড়ো-কছাৰী, কাৰ্বি জনগোষ্ঠী আদি অনেক ভাস্কৰ্য্য নিৰ্মাণ কৰা হৈছে।

**??? জৱাহৰজ্যোতি ঃ অসমৰ বাহিৰেও আপোনাৰ সৃষ্টিশীল ক'ত ক'ত প্ৰদৰ্শন কৰিছে?**

◎ বীৰেণ সিংহ ঃ কলকাতা, নতুন দিল্লীত, বহুবাৰ। অসমীয়া চিনেমা, ভ্ৰাম্যমান থিয়েটাৰ আদিতো কলা-নিৰ্দেশনাৰ কাম কৰিছোঁ।

**??? জৱাহৰজ্যোতি ঃ এতিয়া আহো অন্য প্ৰসঙ্গলৈ। 'শিল্প কলাৰ বাবে' বনাম 'শিল্প জীৱনৰ বাবে' আপুনি এই বিষয়ে কি কয়?**

◎ বীৰেণ সিংহ ঃ জীৱনক বাদ দি একো নহয়। বহুবাৰ মই জীৱনটোকে চাওঁ। মনে বিচৰা বিষয় বিচাৰি ফুৰো। শিল্প-কলা সমাজ জীৱনৰ এক প্ৰাণৱন্ত অঙ্গ। ইয়াৰ লগতে সহবাস কৰো। ছবি আঁকাকে, ভাস্কৰ্য্য কৰাকে শিল্প নুবুজায়। শিল্প জীৱনৰ ভাজে ভাজে আছে।

**??? জৱাহৰজ্যোতি ঃ অসমৰ জন-জীৱনত যি সমূহ শিল্প কলাৰ উপাদান বৰ্ত্তমানেও আছে, সেই সমূহ বিশ্বায়নৰ প্ৰভাৱত হেৰাই যাবলৈ আৰম্ভ কৰিছে যেন আমাৰ ধাৰণা হয়। সেই বিষয়ে আপোনাৰ ধাৰণা কি?**

◎ বীৰেণ সিংহ ঃ জ্যোতি প্ৰসাদে কৈছিল ৰূপান্তৰৰ কথা। পৃথিৱীৰ যিকোনো শিল্পই এটা স্থিতিত নাথাকে। যদি থাকে ৰূপান্তৰৰ। যেনে- বিহু আজি ষ্টেজ পাইছে, আঙ্গিকৰ সলনি হৈছে, নৃত্যতো হৈছে, কবিতাতো হৈছে। ভাস্কৰ্য্যৰ ক্ষেত্ৰতো ৰূপান্তৰ হৈছে। অৱশ্যে শিল্প-কলা সকলোৰে আদৰৰ হ'ব লাগিব আৰু সমাজক প্ৰতিফলিত কৰিব লাগিব।

**??? জৱাহৰজ্যোতি ঃ আপুনি আপোনাৰ জীৱনৰ বহুখিনি সময় অসমৰ পাহাৰীয়া জনজাতীয় লোকসকলৰ মাজত অতিবাহিত কৰিলে। আজিৰ অসমত জনজাতীয়, অজনজাতীয় আদি সমস্যাই মূৰ দাঙি উঠিছে। শিল্প কলা তথা সাংস্কৃতিক কাৰ্য্যকলাপৰ মাজেৰে এই সমস্যা সমূহৰ সমাধানৰ পথ মুকলি কৰিব পৰা নেযাই নেকি বাৰু?**

◎ বীৰেণ সিংহ ঃ এটাই পথ। আচলতে সংস্কৃতিয়েহে আমাক এক কৰে। বিহু আটাইকেইটা জনগোষ্ঠীয়ে জানে। সমস্যা হৈছে অৰ্থনৈতিক দিশ আৰু শিক্ষাৰ ক্ষেত্ৰত। অৰ্থনৈতিকভাৱে স্বাৱলম্বী ন'হলে সমস্যা হয়। এতিয়া জনগোষ্ঠীসমূহৰ মাজত আত্ম পৰিচয়ৰ শংকা আহিছে। এটা জাতি জীয়াই থাকিবৰ বাবে যিখিনি কৰিব লাগে কৰা হোৱা নাই। প্ৰতিটো ভাষাৰে কিতাপ লাগিব, ব্যাকৰণ লাগিব। নহলে বিশ্বায়নৰ গ্ৰাসত পৰিব। আমাক বেলেগ ভাবাও লাগিব।

**??? জৱাহৰজ্যোতি ঃ আপুনি মূলতঃ ভাস্কৰ শিল্পী। অসমৰ জন জীৱনত ভাস্কৰ শিল্পৰ প্ৰভাৱ কেনেকুৱা?**

◎ বীৰেণ সিংহ ঃ হাজাৰ হাজাৰ বছৰ আগৰ পৰাই মঠ মন্দিৰ আদিত জনসাধাৰণে নিজৰ ধ্যান ধাৰণা, বিশ্বাস আদি শিলত কাটি প্ৰকাশ কৰি আহিছে। চকু মুদি, পূজা কৰি মানুহে আধ্যাত্মিক অনুভৱ কৰি আহিছে। আজি কালিও মানুহে ৰাস্তা বা ৰাজহুৱা ঠাইত সমাজলৈ বিশেষ বৰঙণি যোগোৱা ব্যক্তি সকলৰ ভাস্কৰ্য্য প্ৰতিষ্ঠা কৰিব ধৰিছে।

**??? জৱাহৰজ্যোতি ঃ আপোনাৰ নতুন পৰিকল্পনা?**

◎ বীৰেণ সিংহ ঃ সময়েহে জানে। নতুন দিনে নতুন কাম আনে। মোক সপোনে শুব নিদিয়ে। মনটো অস্থিৰ কৰি ৰাখে। কৰিব লগা বহুত কাম আছে। হাতত সময় বৰ কম।

**??? জৱাহৰজ্যোতি ঃ নতুন প্ৰজন্মলৈ আপোনাৰ পৰামৰ্শ?**

◎ বীৰেণ সিংহ ঃ বহুতে ভাল কাম কৰি আছে। বেলেগ আন্দোলন হ'ব ধৰিছে। প্ৰতিযোগিতাবোৰো শুভ লক্ষণ। কিন্তু সকলোতে সাধনা লাগিব।

---

**বিঃ দ্ৰঃ- জৱাহৰজ্যোতিৰ হৈ সাক্ষাত গ্ৰহণ কৰিলে বিজয়া ডেকা আৰু ড. প্ৰাণেশ্বৰ নাথে।**

# মুকলি চ'ৰা

এই শিতানত আমি সম্পাদনা সমিতি (জৱাহৰজ্যোতি)য়ে মহাবিদ্যালয়ৰ কেইগৰাকীমান ছাত্র-ছাত্রী তথা শিক্ষক-কৰ্মচাৰীলৈ দুটামান প্রশ্ন আগবঢ়াইছিলোঁ। তেওঁলোকে আমালৈ সঁহাৰি জনালে এনেধৰণে-

প্রশ্ন ঃ পৰীক্ষাৰ ফলাফল উন্নীত কৰিবলৈ Remedial/Tutorial Class ৰ ভূমিকা থকা বুলি ভাবেনে? যদি ভাবে কিয়?

উত্তৰ ঃ পৰীক্ষাৰ ফলাফল উন্নত কৰিবলৈ Remedial/Tutorial Class ৰ বিশেষ প্রয়োজনীয়তা আছে। কাৰণ-

(ক) Remedial/Tutorial Class ৰ যোগেদি বৰ্ত্তমান শিক্ষাত দেখা দিয়া স্থবিৰতাৰ সমস্যা যথেষ্ট কমাব পাৰি।

(খ) শ্রেণী কোঠাত থকা "Slow Learner" অৰ্থাৎ যি সকলে সহজতে বিষয় বস্তুৰ জ্ঞান আয়ত্ত কৰিব নোৱাৰে তেওঁলোকক Remedial/Tutorial শ্রেণীৰ যোগেদি জ্ঞান আহৰণত আগবঢ়াই নিব পৰা যায়।

(গ) Remedial/Tutorial শ্রেণীৰ যোগেদি শিক্ষক-ছাত্রৰ মাজৰ সম্পর্ক অধিক ওচৰ চপাই আনিব পাৰি।

●●● ৰুমিতা ফুকন, মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ।

প্রশ্ন ঃ মহাবিদ্যালয়ত স্থাপন কৰা আৰ্য্যভট্ট বিজ্ঞান কেন্দ্রই বকো অঞ্চলত বিজ্ঞান মানসিকতা গঢ়ি তোলাৰ ক্ষেত্রত কেনে পদক্ষেপ ল'ব?

উত্তৰ ঃ (ক) প্রতি বছৰে ৰাজ্যিক পৰ্য্যায়ৰ বিজ্ঞান ভিত্তিক চিত্রাংকণ, কুইজ আৰু ৰচনা প্রতিযোগিতাত অংশ গ্রহণ কৰাই বকো অঞ্চলৰ ছাত্র-ছাত্রী সকলক বিজ্ঞানৰ প্রতি আগ্রহী কৰি তোলা।

(খ) উন্নয়ন খণ্ড, জিলা আৰু ৰাজ্যিক পৰ্য্যায়ৰ বিজ্ঞান প্রদর্শনীত অংশ গ্রহণ কৰাই ছাত্র-ছাত্রীসকলক বিজ্ঞান হাতে কামে শিকাত সহায় কৰা।

(গ) কৃষক ৰাইজৰ মাজত বিজ্ঞান মানসিকতা গঢ়ি তুলি অঞ্চলটোৰ আৰ্থসামাজিক দিশত বিজ্ঞানৰ প্রভাৱ পেলোৱা। ইয়াৰ বাবে কৃষি কাৰ্য্যত ব্যৱহাৰ হোৱা মাটিৰ নমুনা সংগ্রহ কৰি, পৰীক্ষা কৰি উপযুক্ত দিহা দিয়া, কৃষি ভিত্তিক কৰ্মশালা পতা ইত্যাদি।

●●● ৰঞ্জিৎ বৈশ্য, জ্যেষ্ঠ প্রৱক্তা, পদাৰ্থ বিজ্ঞান বিভাগ তথা সমন্বয়ক আৰ্য্যভট্ট বিজ্ঞান কেন্দ্র।

প্রশ্ন ঃ মহাবিদ্যালয়ত থকা Information and Career Guidance Cell এ ছাত্র-ছাত্রীসকলক কেনে ধৰণৰ পৰামৰ্শ প্রদান কৰে?

উত্তৰ ঃ I.C.G.C. ৰ কৰ্মৰাজি প্রধানকৈ দুই ধৰণৰ (ক) ই নানা ধৰণৰ Information, তথ্য আদি জমা ৰাখে যি এটা Information Reservoir হিচাপে কাম কৰে। (খ) ছাত্র-ছাত্রীসকলক বিভিন্ন ধৰণৰ Seminar, Awareness Programme, Workshop আদিৰ জৰিয়তে কেৰিয়াৰৰ বিষয়ে পৰামৰ্শ প্রদান কৰে। স্ব-নিয়োজনৰ নানা আঁচনিৰ বিষয়েও আলোচনা কৰে KVICC বা IIE আদি চৰকাৰী বিভাগৰ সহযোগত। তদুপৰি ব্যক্তিগতভাৱে যদি কোনোবা ছাত্র-ছাত্রীয়ে কেৰিয়াৰৰ বিষয়ে পৰামৰ্শ বিচাৰে তেতিয়া সমন্বয়ক বা

অন্য সদস্যসকলে পৰামৰ্শ আগবঢ়ায়।

*◎◎◎ পুলক তালুকদাৰ, প্ৰৱক্তা, ইংৰাজী বিভাগ, Co-ordinator, ICGC*

*Q. : What are the Advantages of IGNOU courses & programmes?*

Ans.: (i) IGNOU Courses-Distance Education in nature.
(ii) Broadness of syllabus- for both National & International Students (23 Countries including India)
(iii) Wideness of IGNOU Programmes & Courses (More than 250 Programmes)
(iv) Inclusion of Career Oriented Courses (More than 100 courses)
(v) Strong & Genuine Examination evaluation prosses.
(vi) IGNOU Certificates for all Courses are acceptable for all Universities of Technical & non technical Education and other Departments for subsequent placement.

◎◎◎ Dr. Tapan Deka, S.G. Lect., Zoology Department, Co-ordinator IGNOU Partner Institute.

প্ৰশ্ন ঃ মহাবিদ্যালয়ৰ কেণ্টিনখনে স্বাস্থ্য সন্মতভাৱে সেৱা আগবঢ়াবলৈ কি পদক্ষেপ লোৱা উচিত?

উত্তৰ ঃ (i) Management Rules with price list for smooth conduct of the Canteen. (ii) Uniform for workers. (iii) Cleaniness (iv) Discipline (v) Different food-Affordable Cost by the Student (vi) Pure Drinking Water and (vii) Advisory Group.

◎◎◎ নিৰঞ্জন মহন্ত, জ্যেষ্ঠ প্ৰৱক্তা, শিক্ষা বিভাগ।

প্ৰশ্ন ঃ বিগত ৩১ বছৰে মহাবিদ্যালয়খনত সেৱা আগবঢ়াই আপোনাৰ কেনে অনুভৱ হৈছে?

উত্তৰ ঃ (ক) বহুত ঘাত-প্ৰতিঘাতৰ মাজেৰে কলেজৰ, এই অঞ্চলৰ বাইজৰ প্ৰতি সেৱা আগবঢ়াই নিজকে ধন্য মানিছো।
(খ) এই সময়ছোৱাত মহাবিদ্যালয়ৰ শিক্ষক, সহকৰ্মী-বন্ধুবৰ্গ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মৰম চেনেহৰ বান্ধোনেৰে দৈনন্দিন কৰ্মৰাজিৰ ব্যস্ততাত এই বৰ্ণিল সময়খিনিত যিটো আনন্দ লাভ কৰিছো তাক এই মূহুৰ্ত্তত ভাষাৰে প্ৰকাশ কৰিব নোৱাৰিম।
(গ) কোন কাৰ জগতৰ, কোন কাৰ মৰমৰ, চকুৰ চিনাকি মাথো দুদিনৰ, সময় শেষ হ'লে হয়তো সকলো বিস্মৃতিত হেৰাই যাব............

*◎◎◎ শৈলেন্দ্ৰনাথ শৰ্মা, মুখ্য সহায়ক, জঃ নেঃ মঃ,* বকো।

প্ৰশ্ন ঃ আপোনাৰ ঘৰ কলেজৰ নিচেই ওচৰত। কলেজ বন্ধ থাকিলে কেনে অনুভৱ হয়?

উত্তৰ ঃ এই মহান অনুষ্ঠানৰ ওচৰতেই মোৰ ঘৰ। ইয়াত শিক্ষা গ্ৰহণ কৰিবলৈ বিভিন্ন ঠাইৰ পৰা ছাত্ৰ-ছাত্ৰী আহে। কলেজ খুলি থকা দিনবোৰত এই ছাত্ৰ-ছাত্ৰীসকলে আঘোণৰ সোণোৱালী ধাননি পথাৰৰ দৰে কলেজ চৌহদ উজলাই তোলে। দীঘলীয়া বন্ধত ছাত্ৰ-ছাত্ৰীসকল কলেজলৈ নাহিলে মনটো বৰ উদাস লাগে। যেন ফাগুণৰ পচোৱা বতাহে লঠঙা কৰা আঁহত গছজোপাহে। লঠঙা গছ জীপাল কৰিবলৈ বৰষুণ এজাক আশা কৰাৰ দৰে ময়ো বাট চাও ছাত্ৰ-ছাত্ৰী শিক্ষাগুৰু সকললৈ—মোৰ গীতাৰত নতুন সুৰ তুলিবলৈ।

◎◎◎ ধৰ্মৰাজ ৰাভা, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী।

প্ৰশ্ন ঃ তুমি যি উদ্দেশ্য লৈ মহাবিদ্যালয়লৈ আহিছা সেইটো পূৰণ হোৱা যেন লাগিছেনে?

উত্তৰ ঃ
(ক) হয় লাগিছে। জীৱনৰ বহু সমস্যা আৰু সংঘাটৰ মাজতো মোৰ উদ্দেশ্য কিছু সফল হোৱা যেন অনুভৱ কৰিছোঁ। কলেজৰ চৌহদৰ প্ৰাকৃতিক পৰিৱেশ, বন্ধু-বান্ধৱৰ সহযোগ আৰু শিক্ষা গুৰু সকলৰ সান্নিধ্যই মোক যথেষ্ট অনুপ্ৰাণিত কৰিছে।

●●● অঞ্জুমণি ৰাভা, স্নাতক তৃতীয় বৰ্ষ, (কলা)

(খ) মহাবিদ্যালয়খনত হৈ বিভিন্ন সভা-সমিতিবোৰৰ পৰা মই যথেষ্ট উপকৃত হৈছো। মই এজন ভাল সমাজ সেৱক হ'ব বিচাৰো। ইয়াৰ পৰিৱেশে মোক অনুপ্ৰাণিত কৰিছে।

●●● গৰিমা ৰাভা, স্নাতক তৃতীয় বৰ্ষ, (কলা)

# Report of Vice-president

Report

Report, J. N. C. Students' Union

In the beginning of my report, I pay devotion to all the freedom fighter and the martyrs who had fought for the independance of our motherland and also pay devotion to those great artist who had made our field of culture every rich. I pay respect to the great people who with their hard work and great effort had built this great instituion 'Jawaharlal Nehru College' at Boko.

It is for the blessings of God that I got the opportunity to become the Viec President of the Union Body of this college without any contest in the election.

During my session the Union Body tried our best to keep the name and prestige of our college and Union Body.

As a Vice President of the Union Body I have no certain duty to perform. But the only duty is to look after the General Secreatary and other Union Secretary and look into their works. In case of necessity, I help them and also advice them..

The National Seminar on Wetland and Livelihood which was organized by the College to be write by me where first. And then the college week, Saraswati Puja, Teacher's Day etc. where I had got opportunity to show my best. It is not only with my efforts and hard work but also with the great efforts and hard work of the other members of the Union Body we are able to complete all these meetings, functions, etc, peacefully and sucessfully without the help and cooperation of the teaching staff, non-teaching staff, juniors, friends and seniors, it is impossible to complete all these programms peacefully and successfully.

Before concluding my report I would like to thanks our Principal, Dr. Nripen Goswami, Vice-Principal Mr. Lakshi Kanta Sarmah, the teaching staff, the non-teaching staff, my juniors, friends and seniors for their cooperation and help during my tenure. And I wish in the coming years this great college will be blessed with more laurels.

Now giving you all a duty to decide whether I have use my powers and opportunities in the best way or worst way as a members of the Union Body, I conclude my report.

Long live Jawaharlal Nehru College
Long live Jawaharjyoti
Long live Jawaharlal Nehru College Students' Union.

Biplab Chakrabarty
Vice President
2008-09

# Report of general secretary

Report

First of all I would like to thank all of you for all support and help provided me during the students union body election. It is for your love and the blessings of God that I won convincingly and got the opportunity to be the general secretary of Jawaharlal Nehru College, Boko, for the Session 2008-09. During my tenure I tried my best to maintain discipline, rules and regulations of our prestigious instituion. I also tried to keep the reputation of our union body untarnished.

During my term we had the opportunity to enjoy a National Seminar on Wetland and Livelihood, which was held on 24th and 25th October, 2008 in our college organized by J.N. College, Boko/ Then we have also got an occassion to greet the five German travellers, who were travelling through the North Estern Region of India. This travel was significant as it brought this region into world stage. In the function held for their honour they related their experiences and expressed their happiness to be among us. During my term terrible terrorist attack shook the whole state. I convey my gratitude to all the students who participated in the peace rally held against the serial bomb blast on 30th October.

We held the Annual college week from January 5th to 10th instant, 2009. The principal of our college hoisted the college flag in the opening day. After this we paid our tribute to the martyrs, Dr. Ganeswar Saharia, I/c, Principal, College of Education, Boko was presented in the occasion. Then we started with the Sports competition, which was inaugurated by Sri Khagen Bayan, Social worker and retired teacher of Boko High School. Cultural competition also started on the same day, which was inaugurated by Sri Nagen Kalita, Assistant Teacher of Boko Girls' High School and Principal of Boko Sangeet Mahavidyalaya. The college week continued till 10th January. Here I must thank all the perticipators and those who help me to organized it very successfully. But it still remains a matter of concern that only a few students turned up to participate in the competitions.

In our session a handwritten magazine was inaugurated by Sri Ambika Prasad Sarma, Secretary of Bharat Scout Guide, Kamrup District on 10-12-08. This magazine was billed on behalf of Amrit Prabha Ranger Team of our College. I must thank the Ranger Team of our College for their wonderful initiative.

One of the greatest achivements during our term was to have a mini stadium. The stadium was built with the aid of Rabha Hasong Autonomous Council and was inaugurated by Dr. Sarat Chandra Rabha, Chief Executive Member, RHAC, on 3rd August, 2009. New constructions are also going on for a Girl's Hostel and an Office building of the College. We must thank our Principal to pay heed to our request to recruit a security guard for our college gate.

During my term, for the first time we had organised the Freshman's Social in the College field in front of the stadium. We also organised Saraswati Puja and Biswakarma Puja with other festivals. We had the opportunity to show our dedication and ability to put hard labour through these activities.

Before concluding my report, I would like to thank our Principal Dr. Nripen Goswami, Vice-Principal Sri Lakshi Kanta Sarmah, all the members of the teaching and non-teaching staff, all the members of the Students' Union and the juniors and friends for helping and co-operation me during my term.

With thanks

**Sri Bhrigumoni Boro**

General Secretary

J.N. College, Boko.

# প্ৰতিবেদন, সহঃ সাধাৰণ সম্পাদক



প্ৰতিবেদনৰ আৰম্ভণিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকলোলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। ২০০৮-২০০৯ ইংৰাজী বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ দৰে পদ এটিৰ গুৰু দায়িত্ব বহন কৰিবলৈ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা কৰ্তৃপক্ষৰ ওচৰত মই কৃতজ্ঞ।

আমাৰ কাৰ্য্যভাৰ গ্ৰহণৰ কিছুদিন পিছতে অনুষ্ঠিত হয় মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ। মহাবিদ্যালয় সপ্তাহ এনে এক অনুষ্ঠান য'ত ছাত্ৰ-ছাত্ৰী সকলে খেলা-ধূলা, নৃত্য-গীত আদিত অংশ গ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি মহাবিদ্যালয় সপ্তাহখনি সাফল্যমণ্ডিত কৰাৰ বাবে তেওঁলোকলৈ মোৰ ধন্যবাদ থাকিল। মহাবিদ্যালয় সপ্তাহৰ উপৰিও আমাৰ কাৰ্যকালত সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, নৱাগত আদৰণি সভা আদি অনুষ্ঠিত কৰা হয়। এইবেলি নৱাগত আদৰণি সভাখন ২৮/০৮/০৯ ইং তাৰিখে ছাত্ৰ-একতা সভাৰ উদ্যোগত উলহ-মালহেৰে আযোজন কৰা হয় আৰু ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত সতীৰ্থ সন্মিলনখন সুকলমে পাৰ হৈ যায়।

শেষত মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড০ নৃপেন গোস্বামী, উপাধ্যক্ষ শ্ৰীযুত লক্ষীকান্ত শৰ্মাছাৰ আৰু শ্ৰদ্ধেয় শিক্ষাগুৰু তথা মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ পুনৰ শ্ৰদ্ধাজ্ঞাপন কৰিছো। আৰু মোৰ কাৰ্যকালত হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়", বকো
'জয়তু জৱাহৰজ্যোতি'

ধন্যবাদেৰে-
**মানা কুমাৰ ৰাভা**
সহঃ সাধাৰণ সম্পাদক

# Report of debate and symposium



At the very beginning I would like to express my heartiest thanks to all the teachers and students of Jawaharlal Nehru College, Boko for selecting me as the Debate and Symposium secretary of the College for the session 2008-09 and giving me the opportunity to take an active part towards the welfare of the college.

For the allround development of an individual and to have a focus of mind, valuable discussions regarding important topics are necessary and for this purpose debates, speeches, Quiz etc, have a vital role . And for this debates and discussions should be held regularly in schools and colleges.

Like the previous years this year too in the college week function from the debate and symposium department, Debate competition, Quiz competition, Extempore speech, Open speech, Recitation in both English and Assamese, students in large numbers took active part in these competitions and it ended peacefully.

For helping me and giving me ample advice in my works and helped it run smoothly, I am sincerely thankful to my teacher in charge Dr. Khirod Kr. Thakuria (Deptt. of Assamese), and I am also thankful to all those students who help me to run my duties smoothly.

*With thanks.*

**Amika Sunar**
**Seretary Debate and Symposium**

# প্ৰতিবেদন, সহঃ আলোচনী সম্পাদক



জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো, "ছাত্ৰ একতা সভা" আলোচনী বিভাগৰ সহঃ সম্পাদক হিচাপে মোৰ প্ৰতিবেদন দাখিল কৰাৰ আগতে যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত এই মহান শিক্ষানুষ্ঠানটিৰ জন্ম হ'ল সেই সকলোলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ।

আমি কাৰ্য্যভাৰ গ্ৰহণৰ পিচতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। শিক্ষাৰ লগত সংগতি ৰাখি মহাবিদ্যালয় সপ্তাহত আলোচনী বিভাগৰ তৰফৰ পৰা প্ৰবন্ধ, গল্প, কবিতা, কাৰ্টুন, চিত্ৰাঙ্কণ আৰু চিত্ৰ প্ৰদৰ্শনী প্ৰতিযোগিতাৰ আয়োজন কৰা হয় আৰু সুবিবেচিত প্ৰতিযোগী সকলক এখনকৈ প্ৰমাণ পত্ৰৰ সৈতে পুৰস্কৃত কৰা হয়। ইয়াৰ উপৰিও মহাবিদ্যালয় সপ্তাহত এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে এই বছৰ নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ ভিতৰত প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মুঠ ৬টা বিভাগে অংশ গ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে 'বিহঙ্গম' -প্ৰাণী বিজ্ঞান বিভাগ, দ্বিতীয় স্থান লাভ কৰে 'জৱাহৰজ্যোতি, প্ৰাচীৰ প্ৰত্ৰিকা, ছাত্ৰ একতা সভা, জৱাহৰলাল নেহৰু মহাবিদ্যালয় আৰু তৃতীয় স্থান লাভ কৰে 'Mirror' অমৃতপ্ৰভা ৰেঞ্জাৰ টিমৰ দ্বাৰা পৰিবেশিত প্ৰাচীৰ পত্ৰিকাখনিয়ে। ছাত্ৰ একতা সভাৰ প্ৰাচীৰ পত্ৰিকা 'জৱাহৰজ্যোতি' উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী, ব্যৱসায়ী তথা প্ৰাক্তন ছাত্ৰ শ্ৰীযুত যতীন পাঠকদেৱে। সেইদৰে 'Echo' শিক্ষা বিভাগৰ প্ৰাচীৰ পত্ৰিকা, 'Physica' প্ৰাচীৰ পত্ৰিকা, পদাৰ্থ বিজ্ঞান বিভাগ আৰু 'Mirror' এই তিনিখন উন্মোচন কৰে শিক্ষাবিদ তথা পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ, মাননীয় ড০ বলেন্দ্ৰ কুমাৰ দাসদেৱে।

আন এটা উল্লেখনীয় কথা হ'ল মহাবিদ্যালয়ত হাতেলিখা আলোচনী 'Mirror' পোন প্ৰথমবাৰৰ বাবে উন্মোচন। মহাবিদ্যালয়ত থকা ভাৰত স্কাউট গাইড, অসমৰ দ্বাৰা অনুমোদিত শাখা 'অমৃত প্ৰভা' ৰেঞ্জাৰ টিম'ৰ ৪ৰ্থ দীক্ষাগ্ৰহণ অনুষ্ঠান উপলক্ষে এই হাতেলিখা আলোচনীখন প্ৰস্তুত কৰা হয়। মহাবিদ্যালয়ৰ সাহিত্য পথাৰত ই এক নতুন পদক্ষেপ। উক্ত হাতেলিখা আলোচনীখন উন্মোচন কৰে শ্ৰীযুত অম্বিকা প্ৰসাদ শৰ্মা (সম্পাদক, কামৰূপ জিলা ভাৰত স্কাউট গাইড, অসম)দেৱে।

আলোচনী এখন সম্পাদনা কৰা বৰ সহজ কথা নহয়। যদিহে পূৰ্বৰ অভিজ্ঞতা নাথাকে। আমিও অনভিজ্ঞ তথাপিও যত্নৰ ত্ৰুটি কৰা নাই। 'জৱাহৰজ্যোতি' খন প্ৰকাশ কৰি উলিওৱাত তত্বাৱধায়িকা শিক্ষাগুৰু শ্ৰীমতী বিজয়া ডেকা বাইদেউৰে আগবঢ়োৱা সহায় সহযোগিতাৰ কাৰণে মই আন্তৰিক কৃতজ্ঞতা জনাইছো। ইয়াৰ উপৰিও বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰু সকলক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

সদৌ শেষত মোৰ জ্ঞাতে বা অজ্ঞাতে হৈ যোৱা ভুলবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিছোঁ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়", বকো

"জয়তু জৱাহৰজ্যোতি"

ধন্যবাদেৰে-

নমল ডেকা

সহঃ আলোচনী সম্পাদক

২০০৮-০৯

# প্ৰতিবেদন, সাংস্কৃতিক সম্পাদক

প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্ত্তত জ্ঞাত-অজ্ঞাত যি সকল শ্বহীদে বুকুৰ শোণিতেৰে অসমী আইৰ চৰণ ধুৱালে, তেখেত সকলোলৈ মই মোৰ সহস্ৰ প্ৰণাম জনোৱাৰ লগতে যিসকল মহান শিল্পীয়ে সংস্কৃতি পথাৰখন চিৰ সেউজ কৰি ইহ সংসাৰ পৰিত্যাগ কৰি গ'ল সেই সকলোলৈয়ো মই মোৰ শ্ৰদ্ধা নিবেদিছোঁ। জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ ২০০৮-০৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতি ক সম্পাদক হিচাপে নিৰ্বাচিত কৰি মোক মহান অনুষ্ঠানটোৰ সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক এই ছেগতে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কলাৰ শ্ৰেষ্ঠ সংগীত, সংগীতে অকল মানুহকেই নহয় সকলো প্ৰাণী, আনকি তৰু-লতাটো প্ৰভাৱ পেলায়। আকবৰৰ ৰাজ সভাৰ সঙ্গীতজ্ঞ তানসেনে সুৰেৰে আৰু মহাপুৰুষ শঙ্কৰদেৱে বায়ুমণ্ডলী ৰাগেৰে গছৰ পাত সৰাব পাৰিছিল। সংগীতৰ প্ৰভাৱ গভীৰ, আৰু ই এখন সমাজ সৰ্বাঙ্গ সুন্দৰ কৰি গঢ়ি তুলিব পাৰে যিয়ে মানুহক জন্তু বা ইতৰ প্ৰাণীৰ পৰা পৃথক কৰি ৰাখিছে। সেয়ে সকলোৰে সঙ্গীত সাধনা কৰা প্ৰয়োজন।

প্ৰতিবছৰৰ দৰে ২০০৮-০৯ ইং বৰ্ষতো মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ ফালৰ পৰা বিভিন্ন গীত-মাত, নৃত্য আদি প্ৰতিযোগিতা পতা হয়। এই প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ উৎসাহ দেখি সঁচাকৈয়ে মই আনন্দিত হৈছোঁ আৰু আশা ৰাখিছো অনাগত দিনবোৰত মহাবিদ্যালয়ৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰতিযোগিতা সমূহ যেন সুচাৰু ৰূপে চলাই নিয়াত সহায়-সহযোগিতা আগবঢ়ায়। সাংস্কৃতিক বিভাগৰ দ্বাৰা অনুষ্ঠিত কৰা বিভিন্ন ধৰণৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰেষ্ঠত্ব অৰ্জন কৰা প্ৰতিযোগী আৰু লগতে সমূহ অংশগ্ৰহণকাৰীলৈ মোৰ আন্তৰিক অভিনন্দন যাচিলোঁ। সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰা বিচাৰক মণ্ডলীলৈ প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ যাচিলোঁ।

বিভাগীয় কাম কাজবোৰ পৰিচালনা কৰাত মোক বিভিন্ন ভাৱে দিহা পৰামৰ্শ দি উপকৃত কৰা কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সাংস্কৃতিক বিভাগত দিহা পৰামৰ্শ দিয়াৰ বাবে মাননীয় ড° তপন দত্ত আৰু শ্ৰীযতীন চন্দ্ৰ মেধী ছাৰলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত মোক বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ। মোৰ অজানিত ভুল-ক্ৰটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি; জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ গৌৰৱ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰিলোঁ।

।। "জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়", বকো।।

ধন্যবাদেৰে -

**অপূৰ্ব কুমাৰ চৌধুৰী**
সাংস্কৃতিক সম্পাদক
ছাত্ৰ একতা সভা, ২০০৮-০৯